# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 05-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোককল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ উদ্যোগত এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই উপলক্ষে চৰকাৰে ৰাজ্যখনৰ অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ প্ৰদান কৰে। ইয়াৰ লগতে ভালেসংখ্যক বিষয়ালৈ প্ৰশাসন ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। কালি ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে চলিত বছৰৰ বাবে ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা বঁটাসমূহ ঘোষণা কৰে। আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হব। কালি কৰা ঘোষণা অনুসৰি ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিং ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়োৱা হৈছে। একেদৰে ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে।

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোককল্যাণ দিৱস উপলক্ষে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ স্মৃতিত শ্ৰদ্ধা জনাই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মন্ত্ৰী ৰণজিত কুমাৰ দাসে গুৱাহাটীৰ শিলপুখুৰীত থকা গোপীনাথ বৰদলৈৰ পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়াকে ধৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাও অনুষ্ঠিত কৰা হয়। গোৱালপাৰা জিলা প্ৰশাসনেও আজি গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা ভৱনত এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰিব। অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকিব।

০০০০০০

আজি আলাবৈ ৰণ স্মৃতি দিৱস। ১৬৬৯ চনৰ আজিৰ দিনটোতে আহোম আৰু মোগল সেনাৰ মাজত উত্তৰ গুৱাহাটীৰ সমীপৰ আলাবৈত এই যুদ্ধ সংঘটিত হৈছিল। ইতিহাসৰ পাতত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱা আলাবৈৰ ৰণত অসমৰ ১০ হাজাৰ

সেনাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। অসমীয়া সেনাৰ বীৰত্ব আৰু ত্যাগক সোঁৱৰণ কৰি প্ৰতিবছৰে আজিৰ এই দিনটোতে আলাবৈ ৰণ স্মৃতি দিৱস পালন কৰি অহা হৈছে। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত, কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰামৰ সহযোগত আজি এই দিৱস উদযাপন কৰা হৈছে। পুৰা আলাবৈ পাহাৰ দাঁতিত পতাকা উত্তোলন আৰু আলাবৈ ৰণৰ ১০ হাজাৰ ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতে এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত কৰা হয়। ইপিনে, আজি সন্ধিয়া ঐতিহাসিক আলাবৈ ৰণস্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰায় ১৫৫ কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰা স্মতি সৌধ প্ৰকল্পৰ সমীপত আলাবৈ ৰণৰ ছহিদসকলৰ স্মৃতিত ১০ হাজাৰ বন্তি প্ৰজ্বলন কৰা হব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহস আৰু দেশভক্তিৰ অনুপম নিদৰ্শনেৰে মোগলৰ বিৰুদ্ধে অসীম সাহসেৰে যুঁজ দি প্ৰাণ আহুতি দিয়া অসমৰ বীৰ আহোম সৈন্যসকলৰ পৱিত্ৰ স্মৃতিত নিৰ্মাণ কৰা আলাবৈ ৰন স্মৃতি ক্ষেত্ৰই অসমীয়া সৈন্যৰ আত্মত্যাগ আৰু বীৰত্বৰ গাথাঁক চিৰস্মৰণীয় কৰি ৰাখিব বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰে।

০০০০০০

'মোৰ ৰেচম, মোৰ গৌৰৱ' শীৰ্ষক বিষয়েৰে কালি মাহমৰা মুগা বহুমুখী প্ৰকল্প কেন্দ্ৰত, কেন্দ্ৰীয় মুগা এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত মুগা আৰু এৰী শিল্প সন্দৰ্ভত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ ৰেচম প্ৰযুক্তি হস্তান্তৰ অভিযানৰ এশ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে মুগা আৰু এৰীৰ উৎপাদন আৰু স্বাৱলম্বিতা সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ মুগা, এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ড০ কাৰ্তিক নেওগ, কনিষ্ঠ বিজ্ঞানী ড০ চিন্ত' এণ্ট, মাৰ্ঘেৰিটাৰ ৰেচম অধীক্ষক ড০ দীপক নাথকে ধৰি ভালেসংখ্যক ব্যক্তিয়ে এই আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাত ৭০ গৰাকী এৰী আৰু মুগা পালকে অংশ লয়। দেশৰ ১ লাখ কৃষকক এই

অভিলাষী লক্ষ্যৰে সামৰি লোৱাৰ বাবে তিনি জুলাইত আৰম্ভ হোৱা এশ দিনীয়া অভিযান ছেপ্টেম্বৰলৈকে অব্যাহত থাকিব বুলি প্ৰকাশ কৰা হৈছে। অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ কেইবাটাও ৰাজহ চক্ৰৰ ৰেচম চক্ৰসমূহ সামৰি লোৱা হ'ব। উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষত ১২৩ দশমিক ৫ – ৭ মেট্ৰিকটন উৎপাদনেৰে অসমৰ এৰী, ৰেচম উৎপাদনত ডিব্ৰুগড় জিলা দ্বিতীয় স্থানত আছে।

০০০০০০

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অহা ১১ আগষ্টত নীলিম চৌধুৰী সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদান কৰা হ'ব। সেইদিনাই সাংবাদিক সঞ্জীৱ নন্দী সোঁৱৰণী যুৱ সাংবাদিকতা বঁটাও প্ৰদান কৰা হ'ব। কালি ডিব্ৰুগড় প্ৰেছক্লাবত অনুষ্ঠিত সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি নীলিম চৌধুৰী সোঁৱৰণী সাংবাদিকতা বঁটাৰ বাবে সোণাৰিৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য ফুকন আৰু সঞ্জীৱ নন্দী সোঁৱৰণী বঁটাৰ বাবে ডিব্ৰুগড়ৰ যুৱ সাংবাদিক হিৰণ্য বৰাক বাছনি কৰা হৈছে। ইয়াৰ লগতে অহা ১০ আগষ্টত সাংবাদিকতাৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰ, অইল ইণ্ডিয়া লিমিটেডৰ মহা প্ৰৱন্ধক ত্ৰিদীপ হাজৰিকা আৰু বিশিষ্ট সাংবাদিক সুবিৰ ভৌমিকে সমল ব্যক্তি হিচাপে অংশ ল'ব। কৰ্মশালাত সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব পাৰিব বুলি প্ৰেছক্লাবৰ তৰফৰ পৰা জনোৱা হৈছে।

০০০০০০

সমাপ্ত